অধ্যায় ৮ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৪

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অৰুণোদয় পৰৱৰ্তীকালৰ অন্যান্য সাহিত্য
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া অন্যান্য সাহিত্যধাৰাসমূহৰ গতি-প্রকৃতি সম্পর্কে অধ্যয়ন কৰিব
- অৰুণোদয় পৰৱৰ্তীকালৰ প্রবন্ধ (তত্ত্বালোচনামূলক আৰু ব্যঙ্গ), সমালোচনা সাহিত্য জীৱনী, শিশু সাহিত্য, ভ্রমণ সাহিত্য, অনুবাদ সাহিত্য আদিৰ আভাস লাভ কৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যৰ এটি উল্লেখযোগ্য সাহিত্য বিধা — উপন্যাস সম্পর্কে বহলাই অধ্যয়ন কৰিলে। *অৰুনোদই* কাকততে প্রকৃতার্থত উপন্যাসধর্মী সাহিত্যৰ আৰম্ভ হৈছিল যদিও পৰৱৰ্তী সময়ত হে ই ফলে-ফুলে পল্লৱিত হৈ উঠে। এই সময়ছোৱাত ৰচিত অধিকাংশ উপন্যাস আছিল ঐতিহাসিক। অৱশ্যে এই সময়ছোৱাতে কেইবাজনো অসমীয়া ঔপন্যাসিকে কেইবাখনো সামাজিক উপন্যাস ৰচনা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই এই সময়তে ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি তেওঁ অসমীয়া উপন্যাসক এক বিশেষ মাত্রা প্রদান কৰিলে। এইখন উপন্যাস অসমীয়া সাহিত্যৰ ইতিহাসত এক উজ্জ্বল কীর্তিস্তম্ভ হিচাপে চিহ্নিত হৈছে। এই দিশ কেইটা আপুনি পূর্বৱর্তী অধ্যায়টোত বহলাই অধ্যয়ন কৰিলে।

এই অধ্যায়টোত আপুনি অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া অন্যান্য সাহিত্যধাৰাসমূহৰ গতি-প্রকৃতি সম্পর্কে অধ্যয়ন কৰিব। অন্যান্য সাহিত্য বুলি ক'লে (তত্ত্বালোচনামূলক আৰু ব্যঙ্গ), সমালোচনা সাহিত্য জীৱনী, শিশু সাহিত্য, ভ্রমণ সাহিত্য, অনুবাদ সাহিত্য অন্তর্ভুক্ত হৈ আছে।

অধ্যায়টোৰ অধ্যয়নে আপোনাক তদানীন্তন কালৰ উল্লিখিত সাহিত্য বিধা কেইটাৰ সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিব।

৮.৩ অৰুণোদয় পৰৱৰ্তীকালৰ অন্যান্য সাহিত্য

অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যত প্ৰবন্ধ বা সমালোচনা সাহিত্য, জীৱনী, ৰম্য-ৰচনা, শিশু সাহিত্য, ভ্ৰমণ, অনুবাদ সাহিত্য আদিয়েও বিশেষ স্থান অধিকাৰ কৰি আছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে 'অৰুণোদয় যুগ'তে প্ৰবন্ধ তথা সমালোচনা সাহিত্যই ভূমুকি মাৰিছিল। তাৰ পাছত *আসাম বিলাসিনী, আসাম বন্ধু, আসাম নিউজ* আদি কাকতৰ যোগেদি হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত আদি লেখকসকলে প্ৰবন্ধক উন্নতিৰ পথেৰে আগবঢ়াই নিয়ে। কিন্তু সেই যুগৰ বেছিভাগ প্ৰবন্ধই আছিল চিন্তাধৰ্মী আৰু বস্তুধৰ্মী। *জোনাকী* কাকতৰ প্ৰকাশৰ লগে লগে মনোধৰ্মী, ব্যক্তিনিষ্ঠ আৰু ৰসাত্মক প্ৰবন্ধ ৰচনাৰো ইতিহাস আৰম্ভ হয় বুলি ক'ব পাৰি। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

- **প্ৰবন্ধ** : সংখ্যা আৰু বিষয়বস্তুৰ বহুমুখিতাৰ ফালৰপৰা লক্ষ্মীনাথ বেজবৰুৱা আলোচ্য সময়ছোৱাৰ শ্ৰেষ্ঠ প্ৰবন্ধ লেখক। সাহিত্য, সমাজ, ধৰ্ম আনকি ৰাজনীতি — এই সকলো বিষয় লৈ বেজবৰুৱাই অজস্ৰ প্ৰবন্ধ ৰচনা কৰিছে। আদিৰ পৰাই বেজবৰুৱাই গধুৰ আৰু লঘু এই দুয়োবিধ প্ৰবন্ধ ৰচনা কৰি আহিছে। *জোনাকীত* বেজবৰুৱাই কৃপাবৰ বৰুৱা ছদ্মনামেৰে অসমীয়া সমাজ জীৱনৰ পুৰণিকলীয়া অন্ধ সংস্কাৰ আৰু ঔপনিবেশিক আমোলত গা কৰি উঠা অন্ধ আভিজাত্য, অনুকৰণপ্ৰিয়তা, ভণ্ডামি আদিৰ সমালোচনা কৰি তীব্ৰ ব্যঙ্গ বাণেৰে হাস্যব্যঙ্গাত্মক ৰচনাৰ নতুন ধাৰা এটাৰ সূচনা কৰে। কৃপাবৰ বৰুৱা ছদ্মনামেৰে *জোনাকীত* ব্যঙ্গ আৰু হাস্যৰসপূৰ্ণ যি প্ৰবন্ধ প্ৰকাশ হৈছিল, সেয়ে *কৃপাবৰ ববৰবৰুৱাৰ কাকতৰ টোপোলা* নাম লৈ ১৯০৫ চনত প্ৰকাশ হয়। তাৰ পাছত গুৱাহাটীৰ পৰা প্ৰকাশিত *জোনাকীত* কৃপাবৰ বৰুৱা আকৌ আৰিৰ্ভাৰ হয়। সেইবোৰ প্ৰবন্ধ আৰু *উষাত* ওলোৱা দুই-চাৰিটা প্ৰবন্ধৰ সমষ্টিয়েই পুথিৰ আকাৰত *কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি* (১৯৫১), *ববৰবৰুৱাৰ বুলনি* (১৯৬৪)। এই প্ৰবন্ধাৱলীৰ বাহিৰেও *ভগৱৎকথা, কৃষ্ণকথা, কামত কৃতিত্ব লভিবৰ সংকেত* নামৰ চিন্তামূলক, বস্তুনিষ্ঠ গ্ৰন্থ বেজবৰুৱাই ৰচনা কৰে। বেজবৰুৱাৰ গহীন প্ৰবন্ধ প্ৰায়বোৰেই বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয়। *কৃষ্ণকথা, তত্ত্বকথা* আদি উপনিষদ, *ভাগৱত* আদি পুৰাণ অধ্যয়নৰ ফল।

  উষাৰ পাততে ৰজনীকান্ত ববদলৈৰ *মনোবিজ্ঞান* শীৰ্ষক পাশ্চাত্যৰ বৈজ্ঞানিক চিন্তাৰ সমীক্ষাৰে চিন্তাশীল এলানি প্ৰবন্ধ লিখে। তদুপৰি *উষাৰ* পাততে লক্ষ্মেশ্বৰ ববঠাকুৰৰ 'জাপান যাত্ৰীৰ পথ' (ভ্ৰমণ কাহিনী), হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া লো', 'গোপেশ্বৰ দেৱালয়ৰ তামৰ ফলি' (প্ৰত্নতত্ত্বমূলক প্ৰবন্ধ); কীৰ্তিনাথ দাসৰ 'নেপোলিয়ন বোনাপাৰ্ট' আদি বিচিত্ৰ বিষয়ৰ প্ৰবন্ধ প্ৰকাশ পায়।

অসমীয়া ভাষাৰ ইতিহাস আলোচনাৰে গৌৰৱময় ঐতিহ্য অনুসন্ধান আৰু স্বকীয়তা প্রতিপন্ন, জোনাকী-বাঁহী স্তৰত বিশেষভাৱে চর্চিত বিষয়। আনহাতে অসমৰ বৈষ্ণৱ সাহিত্য সংস্কৃতি বিষয়ক গভীৰ তত্ত্বানুসন্ধানী আৰু তথ্য আধাৰিত বিচাৰধর্মী প্রবন্ধৰ এটা মেটমৰা ভঁৰাল এই স্তৰতে সৃষ্টি হৈছিল। এই বিষয়তে মানৱ জীৱনৰ কর্তব্য-ৰহস্য, সাধনা আৰু প্রমূল্যবোধ সম্পর্কীয় ভালেমান প্রবন্ধ ৰচিত হয়। এইক্ষেত্রত সত্যনাথ বৰা এই ক্ষেত্রত উল্লেখযোগ্য লেখক। বস্তুনিষ্ঠ আধুনিক অসমীয়া গদ্যৰীতি নির্মাণত বৰাৰ অৱদান অতুলনীয়। এক কথাত ক'ব পাৰি যিসকলে সচেতনভাৱে বস্তুনিষ্ঠ আধুনিক অসমীয়া গদ্য-ৰীতি সৃষ্টি কৰিবলৈ যত্ন কৰিছে, তাৰ ভিতৰত সত্যনাথ বৰাই সকলোতকৈ অধিক কৃতকার্যতা লাভ কৰিছে। *আকাশ ৰহস্য* (১৯০৮), *সাহিত্য বিচাৰ* (১৯২২), *সাৰথি* (১৯১৫), *কেন্দ্রসভা* (১৯২৪) আৰু চিন্তাকলি (১৯২৫) এই কেইখনিত বৰাৰ কথাশৈলীৰ বিকাশ মন কৰিবলগীয়া। তদুপৰি প্রবন্ধক (Essay) এওঁ বিশিষ্ট আর্ট ৰূপে কর্ষণ কৰিবলৈ যত্ন কৰিছিল। বেকনৰ আর্হিত জ্ঞানদায়ক প্রবন্ধ আৰু বেকনৰ দৰেই প্রবাদ-বাক্যৰ তুল্য সূক্ষ্ম বাক্যই *সাৰথিক* মূল্যৱান সম্পদ কৰি তুলিছে। সততে নিভাঁজ অসমীয়া ভাষা লিখিবৰ প্রযত্নও বৰাৰ এটি কীর্তি। বৰাৰ উপৰি বেণুধৰ ৰাজখোৱা, দেবেশ্বৰ চলিহা আদিৰ নামো এই প্রসঙ্গত উল্লেখ কৰিব পাৰি। *মিলন, চেতনা* স্তৰত উপৰিউক্ত প্রবন্ধ ধাৰা ক্ষীণ হৈ আহি তাৰ সলনি সমাজ জীৱনৰ তৎকালীন সমস্যা, স্বাধীনতা আন্দোলন সম্বন্ধীয় চিন্তা, বিশ্বৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰা ভাষা সাহিত্যৰ মননশীল আলোচনালৈ, ইতিহাসৰ পৰা নৃতত্ত্বলৈ— বিচিত্র বিষয়ক প্রবন্ধ প্রকাশ হয়। চিন্তাৰ গভীৰতা, অধ্যয়নৰ দীপ্তি, এইবোৰ ৰচনাৰ বৈশিষ্ট্য।

তদানীন্তন সময়ত পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া ভাষাক বিদেশীৰ ভাঁজ নপৰা এটি গঢ় দিবলৈ প্রচেষ্টা কৰিছিল। এওঁৰ *পঢ়াশলীয়া পুথি, নীতিশিক্ষা, বুৰঞ্জীবোধ* সৰল অসমীয়া ভাষাৰ নিদর্শন। অৱশ্যে পাছৰফালে তেওঁৰ গদ্যই গধুৰ ৰূপ ধাৰণ কৰে। বিশেষকৈ তিনি খণ্ডযুক্ত *শ্রীকৃষ্ণ* (১৯৩০), *গীতিসাৰ* (১৯৩৫)ত তেওঁৰ গদ্যই পূর্ণাংগ তথা গতিশীল ৰূপ ধাৰণ কৰিছে। এই সময়ছোৱাৰ আন এগৰাকী উল্লেখনীয় প্রবন্ধকাৰ হ'ল জ্ঞাননাথ বৰা। ভাষাৰ সাধনাত তেওঁ সত্যনাথ বৰাৰ ৰীতি গ্রহণ কৰিছিল। *যুগতত্ত্ব* (১৯২৫), *নতুন জগত* (১৯৪৬), *অসমত বিদেশী* (১৯২৫) — এইবোৰ প্রবন্ধ সংকলনত জগত বা বিশ্ব সম্পর্কীয় নতুন চিন্তাধাৰা প্রকাশ পাইছে।

হেমচন্দ্র গোস্বামীৰ পিছত ইতিহাস তথা পুৰাতত্ত্ব বিষয়ক প্রবন্ধ লিখাৰ ক্ষেত্রত কনকলাল বৰুৱাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ মৌলিক চিন্তাপ্রসূত প্রবন্ধবোৰ বহু তথ্য সম্বলিত। সোণাৰাম চৌধুৰীৰ প্রত্নতাত্ত্বিক প্রবন্ধবোৰো এই প্রসঙ্গতে উল্লেখযোগ্য। প্রাচীন ইতিহাস-সাহিত্যৰ পৰা সামাজিক ব্যৱস্থা, পৰম্পৰাগত মূল্যবোধ আৰু আচাৰ-সংস্কাৰ বিষয়লৈ ৰত্নেশ্বৰ মহন্তৰ ৰচনাৰ বিষয় ব্যাপ্ত।

তদানীন্তন যুগৰ এই প্রবন্ধ সাহিত্যিকিনিকে আর্হি হিচাপে লৈ পৰৱৰ্তী সময়ত কনকলাল

বৰুৱা, সূর্য্যকুমাৰ ভূঞা, বেণুধৰ শর্মা, অম্বিকাগিৰী ৰায়চৌধুৰী, নীলমণি ফুকন, বাণীকান্ত কাকতি আদিয়ে এই শ্রেণী ৰচনাক ফলে-ফুলে জাতিষ্কাৰ কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেজবৰুৱাই কি নামেৰে ব্যঙ্গাত্মক প্রবন্ধসমূহ ৰচনা কৰিছিল ? তেওঁ ৰচনা কৰা ব্যঙ্গ ৰচনা সংকলন কেইখনমানৰ নাম উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ২ ঃ পদ্মনাথ গোহাঞিবৰুৱাই লিখা প্রবন্ধ পুথিৰ নাম আৰু তাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

.....

.....

.....

.....

- **সাহিত্য-সমালোচনা :** সাহিত্যৰ অন্যান্য ধাৰাবোৰৰ দৰে সমালোচনা সাহিত্যৰো বাট মুকলি হয় আলোচ্য সময়ছোৱাতে। লক্ষ্মীনাথ বেজবৰুৱা ইয়াৰো পথ-প্রদর্শক। ৰোমাণ্টিক যুগৰ আগৰ আন লেখকৰ ৰচনাত সমালোচনামূলক মন্তব্য নথকা নহয়। কিন্তু সাহিত্যতত্ত্বৰ আদর্শ আগত লৈ সাহিত্যকর্মৰ বিচাৰ কৰা চেষ্টা বেজবৰুৱাৰ ৰচনাতেই পোনতে চকুত পৰে। শংকৰদেৱৰ সাহিত্যকর্মৰ আলোচনাৰে বেজবৰুৱাই সমালোচক হিচাপে আত্মপ্রকাশ কৰে। এই প্রসঙ্গত প্রধানকৈ *কীর্ত্তন* আৰু *ৰুক্মিণী-হৰণ কাব্যৰ* আলোচনালৈ আঙুলিয়াব পাৰি। আনহাতে, অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণে বেজবৰুৱাক সাহিত্য-তত্ত্ব জ্ঞানৰ মানবিশিষ্ট এগৰাকী সমালোচক হিচাপে থিয় কৰায়।

  অসমীয়া সমালোচনা সাহিত্যত এটি মানবিশিষ্ট পৰম্পৰাৰ সৃষ্টি কৰে বাণীকান্ত কাকতিয়ে। ইংৰাজী, গ্রীক, সংস্কৃত সাহিত্যৰ গভীৰ অধ্যয়নেৰে পুষ্ট কাকতিৰ তীক্ষ্ণাধীসম্পন্ন আৰু বিশ্লেষণশীল মন আধুনিক সমালোচনাৰ বাবে অতি উপযোগী আছিল। সমালোচনাৰ বাবে যিকেইটা গুণ অপৰিহার্য, সেইকেইটা বাণীকান্ত কাকতিৰ ৰচনাতে পোন প্রথম পৰিলক্ষিত হয়। সমালোচনাৰ তাত্ত্বিক আদর্শৰ প্রতি সজাগতা, নিৰপেক্ষতা আৰু সংযম, যুক্তি, তুলনা আৰু বিশ্লেষণ — কাকতিৰ সমলোচনাৰ বিশিষ্ট লক্ষণ। শব্দৰ যথাযথ ব্যৱহাৰ আৰু ভাষাৰ সমন্বয় আৰু পৰিমিত প্রকাশভংগী কাকতিৰ সমালোচনাৰ অতিৰিক্ত সম্পদ। ইয়াৰ দৃষ্টান্ত হিচাপে তেওঁৰ *পুৰণি অসমীয়া সাহিত্য*

(১৯৪০)-ৰ অন্তর্গত সমালোচনাখিনিলৈ আঙুলিয়াব পাৰি। উল্লেখযোগ্য এই পুথিখনৰ অন্তর্গত 'সাহিত্যত কৰুণ ৰস' প্রবন্ধটি ছাত্র অৱস্থাতে লিখা যদিও তাৰ মাজেদিয়েই তেওঁৰ সমালোচনাত্মক মনৰ মূর্ত প্রকাশ ঘটিছে। তদুপৰি *সাহিত্য আৰু প্রেম* বিশ্বসাহিত্যৰ পৰিচয় থকা এখনি উল্লেখযোগ্য পুথি। কাকতিয়ে তেওঁৰ সমসাময়িক, অগ্রজ আৰু অনুজ লেখকসকলৰ বিষয়েও আলোচনা কৰিছে। অসমীয়া সমালোচনা সাহিত্যই বলিষ্ঠ ৰূপ লয় বাণীকান্ত কাকতিৰ হাততেই।

কাকতিৰ সমসাময়িক এগৰাকী সমালোচক হ'ল ডিম্বেশ্বৰ নেওগ। সূক্ষ্ম বিচাৰ-বুদ্ধি, মৌলিক দৃষ্টিভংগী আৰু নির্ভীকভাৱে নিজস্ব মত দাঙি ধৰাৰ চেষ্টা এওঁৰ সমালোচনাৰ বিশেষত্ব। অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক হিচাপেও তেওঁৰ খ্যাতি সর্বজনবিদিত। *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৩৬), *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি* (১৯৪০) আৰু *অসমীয়া সাহিত্য বুৰঞ্জী* (১৯৫৬) — নেওগৰ সাহিত্যৰাজিৰ অন্তর্গত অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পর্কীয় উল্লেখযোগ্য গ্রন্থ।

সমালোচনা সাহিত্যৰ ক্ষেত্রত আন তিনিগৰাকী উল্লেখনীয় সমালোচক হৈছে— সত্যনাথ বৰা, দেৱানন্দ ভৰালী আৰু কালিৰাম মেধি। সত্যনাথ বৰাৰ *সাহিত্য বিচাৰ* (১৯০৮), দেৱানন্দ ভৰালীৰ *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* (১৯১২), কালিৰাম মেধিৰ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* (১৯৩৬)ৰ নাম এই প্রসঙ্গত উল্লেখ কৰিব পাৰি। ৰোমাণ্টিক যুগৰ সাহিত্য সম্পর্কীয় সমালোচনামূলক গ্রন্থৰ ভিতৰত হেমচন্দ্র গোস্বামীৰ *অসমীয়া সাহিত্যৰ চানেকি* (১৯২৩-২৯), *A Descriptive Catalogue of Assamess Manuscripts* (১৯৩০), সেনাপতি দেৱশর্মাৰ *সাহিত্যৰ সাজ* (১৯২৬), হৰমোহন দাসৰ *সাহিত্য তত্ত্ব* (১৯৩৯)। ঠিক সেইদৰে 'অনুবাদৰ কথা', 'য়ুৰোপৰ ভাষা আৰু সাহিত্য', 'স্পেনিছ সাহিত্যত ৰোমিঅ' জুলিয়েট', 'জার্মান সাহিত্যৰ সপোন নাটক', 'গ্রীক নাটকৰ গান', 'চক্রেটিছৰ মতে কবি প্রকৃতি' আদি নিবন্ধৰ যোগেদি কৃষ্ণকান্ত সন্দিকৈয়ে পাঠকক বিশ্বসাহিত্যৰ লগত পৰিচয় কৰাই দিয়ে। একেদৰে সূর্য্যকুমাৰ ভূঞাৰ *সাহিত্যৰ মূলকথা, ৰৰফুকনৰ গীতৰ* সংগ্রহ (১৯২৪) লেখত ল'বলগীয়া সাহিত্যৰ সমালোচনা তথা সংগ্রহ। ৰৰফুকনৰ গীতৰ পাতনিখন অসমীয়া সাহিত্য জগতৰ আজিও মূল্যৱান সম্পদ।

এনেদৰে অৰুণোদয় পৰৱৰ্তীকালত সাহিত্যৰ সমালোচনাই এক সুকীয়া কথা আধুনিক দৃষ্টিভঙ্গী গ্রহণ কৰা পৰিলক্ষিত হয়। পৰৱৰ্তীকালত এইসকল লেখকৰ হাততেই সমালোচনা সাহিত্যই আৰু অধিক পৰিপক্কতা লাভ কৰিবলৈ সক্ষম হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ অসমীয়া সাহিত্য-সমালোচনাৰপথ-প্রদর্শক কোন?

.....

প্ৰশ্ন নং ৪ ঃ কৃষ্ণকান্ত সন্দিকৈ কোনবোৰ নিবন্ধৰ যোগেদি পাঠকক বিশ্বসাহিত্যৰ লগত পৰিচয় কৰাই দিয়ে বুলি কোৱা হয়?

.....

.....

.....

- **জীৱনী-সাহিত্য** : অসমীয়া সাহিত্যত সপ্তদশ শতিকামানৰ পৰা পদ্য আৰু গদ্যত চৰিতপুথি ৰচনা কৰা দেখা যায়। বৈষ্ণৱ সন্ত-মহন্তসকলৰ জীৱন চৰিতসমূহে মধ্যযুগৰ অসমীয়া সাহিত্য জাতিষ্কাৰ কৰি ৰাখিছে। এইবোৰো জীৱনী সদৃশ ৰচনা যদিও ইয়াত সন্ত-মহন্তসকলৰ আদৰ্শাত্মক ৰূপটোহে পোৱা যায়। দৃষ্টিভংগী আৰু ৰচনাভঙ্গীৰ ফালৰপৰা এই চৰিতপুথিসমূহৰ লগত আধুনিক যুগৰ জীৱন-চৰিতৰ বিশেষ পাৰ্থক্য দেখা যায়। আধুনিক জীৱনী সাহিত্যৰ বৈশিষ্ট্যই হ'ল বস্তুনিষ্ঠতা, তথ্যৰ বিশ্বাসযোগ্যতা, জীৱনৰ ঘটনাৰ লগত তৎকালীন বিভিন্ন ঘটনা প্ৰবাহৰ সংগতি স্থাপন আৰু সৃষ্টিধৰ্মী ৰচনাশৈলী। মধ্যযুগৰ অসমীয়া চৰিত পুথিবোৰত এনেবোৰ বৈশিষ্ট্য অভাৱ দেখা যায়। প্ৰকৃত জীৱনীৰ উদ্দেশ্য আদৰ্শ পূজা বা বীৰপূজা নহয়; ব্যক্তি বিশেষৰ প্ৰতিকৃতি-চিত্ৰ (Portrait painting) অংকন কৰাহে।

  আধুনিক যুগৰ জীৱনী সাহিত্যৰ কথা ক'বলৈ গ'লে গুণাভিৰাম বৰুৱাই ৰচনা কৰা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ* (১৮৮০)-ৰ কথাই প্ৰথমে মনলৈ আহে। এইখনেই আধুনিক যুগৰ প্ৰথম অথচ আদৰ্শ জীৱনী। বচৱেলৰ জনচনৰ জীৱনীৰ দৰে এইখন জীৱনীতো ফুকনৰ পূৰ্বপুৰুষৰপৰা আৰম্ভ কৰি তেওঁৰ জীৱনৰ সৰু-বৰ সকলো ঘটনা জীৱন্তভাৱে ৰখা হৈছে। জীৱনীখনিৰ ভাষা প্ৰাঞ্জল আৰু গদ্যৰীতিও বৈশিষ্ট্যপূৰ্ণ।

  লক্ষ্মীনাথ বেজবৰুৱাৰ *শংকৰদেৱ* (১৯১২) আৰু *শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ* (১৯১৬) ৰোমাণ্টিক যুগত ৰচিত আন দুখনি উল্লেখযোগ্য জীৱনী সাহিত্য। প্ৰথমখন *বৰদোৱা চৰিত* আৰু দ্বিতীয়খন *কথা-গুৰু-চৰিতৰ* বিষয়বস্তুৰ আধাৰত প্ৰতিষ্ঠিত। বিষয়বস্তু প্ৰাচীন হ'লেও ইয়াৰ আধুনিক লক্ষণ হ'ল ভাষা আৰু পাৰ্যমানে অলৌকিকতা বৰ্জন। ইয়াৰে প্ৰথমখনৰ বিশেষত্ব হ'ল জনমানসত প্ৰতিষ্ঠিত শঙ্কৰদেৱৰ দৈৱিক সত্তাৰ পৰা আঁতৰাই মানৱীয় সত্বাৰে অৱলোকন আৰু পিছৰখন জীৱনীৰ বিশেষত্ব হৈছে ইতিহাসৰ সাংস্কৃতিক-সামাজিক-ৰাজনৈতিক পটভূমিত শঙ্কৰদেৱৰ মূল্যায়নৰ প্ৰচেষ্টা। আনহাতে লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা *ডাঙৰীয়া দীননাথ বেজবৰুৱা* পুত্ৰৰ দৃষ্টিৰে পিতৃৰ জীৱনী যেন হ'ল যদিও বহু ঐতিহাসিক তথ্য প্ৰত্যক্ষ বা পৰোপক্ষভাৱে গ্ৰন্থখনত সন্নিবিষ্ট কৰিছে।

  জীৱনবৃত্তৰ দৰে প্ৰভুত উপাদান সংগ্ৰহ কৰি তাৰে বিচাৰপূৰ্বক ৰচনা জীৱন-চৰিতৰ এটা ভাল নিদৰ্শন দাঙি ধৰিছে সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰা ৰচিত *আনন্দৰাম বৰুৱা* (১৯২০) শীৰ্ষক জীৱনীখনে। সমালোচকসকলৰ মতে এইখন সাৰ্থক জীৱন চৰিত। আনন্দৰাম বৰুৱাৰ জীৱনীৰ উপৰি সূৰ্য্যকুমাৰ ভূঞাই *গোপালকৃষ্ণ গোখলে* (১৯১৬), *ৰবীন্দ্ৰনাথ*

ঠাকুৰ(১৯২০) নামৰ আৰু দুখন জীৱনীও ৰচনা কৰে। দণ্ডিনাথ কলিতাৰ *কৰ্মবীৰ চন্দ্রনাথ* (১৯২৪) এখনি উল্লেখযোগ্য জীৱনী। সৰ্বেশ্বৰ শৰ্মা কটকীৰ *হেমচন্দ্র বৰুৱাৰ জীৱন চৰিত* (১৯২৩) আৰু *সত্যনাথ বৰাৰ জীৱন চৰিত* (১৯২৩) দুখন লেখত ল'বলগীয়া জীৱনী। হৰেন্দ্রনাথ শৰ্মাৰ *জোৱান ডাৰ্ক* (১৯১৮) আৰু *কামাল পাছা* (১৯৩২) আকৰ্ষণীয় কথনভঙ্গীৰ দুখন জীৱনী।

পদ্মনাথ গোহাঞি বৰুৱাই তৎকালীন শৈক্ষিক প্রয়োজন পূৰণৰ উদ্দেশ্যেই *জীৱনী সংগ্রহ* নামৰ গ্রন্থখন সংকলন কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ আধাৰত ৰচিত কমলেশ্বৰ চলিহাৰ *বিশ্বৰসিক লক্ষ্মীনাথ বেজবৰুৱা* (১৯৩৯) এখনি সাহিত্যিক জীৱনী। ১৯৪৭ চনৰ ভিতৰত ৰচিত আন আন অসমীয়া জীৱনীসমূহ হ'ল— মহাদেৱ শৰ্মাৰ *বুদ্ধদেৱ* (১৯১৪), *মহম্মদ চৰিত* (১৯২৮), *কস্তুৰবা গান্ধী* (১৯৪৪), বসন্ত কুমাৰ বৰুৱাৰ *বুকাৰ ৱাচিংটন* (১৯২৬), উপেন্দ্রনাথ বৰুৱাৰ *ইন্দিৰৰ বৰুৱা* (১৯২৪), সৰ্য্যকুমাৰ ভূঞাৰ *জোনাকী* (১৯২৩) আৰু *চানেকি* (১৯২৮), কুমুদেশ্বৰ ঠাকুৰৰ *মাণিক* (১৯১৩), গোপীনাথ বৰদলৈৰ *তৰুণৰাম ফুকনৰ জীৱনী* (১৯৩৪), সতীশচন্দ্র কাকতিৰ *হিটলাৰ-মুছলিনি* (১৯৩৮), কেশৰ পাঠকৰ মহাত্মা গান্ধী (১৯২২), কালিৰাম বৈশ্যৰ *বেঞ্জামিন ফ্রেঙ্কলিন* (১৯৩০), ফণীধৰ চলিহাৰ *ঘিণাৰাম বৰুৱা* (১৯১২) আদি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে অৰুণোদয় পৰৱৰ্তীকালত ভালেসংখ্যক জীৱনীমূলক গ্রন্থই অসমীয়া সাহিত্যত আত্মপ্রকাশ কৰে। এনেবোৰ গ্রন্থই নিঃসন্দেহে অসমীয়া সাহিত্যৰ শ্রীবৃদ্ধি সাধনত অৰিহণা যোগাইছে। অৱশ্যে তথ্যৰ নির্ভৰযোগ্যতা আৰু বিষয় ব্যাখ্যাৰ বস্তুনিষ্ঠতাৰ বিচাৰত ভাল জীৱনীৰ সংখ্যা তেনেই সীমিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ গুণাভিৰাম বৰুৱাই ৰচনা কৰা জীৱনী গ্রন্থখনৰ নাম কি?

.....

.....

প্রশ্ন নং ৬ ঃ লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা *শংকৰদেৱ* (১৯১২) আৰু *শ্রীশংকৰদেৱ আৰু শ্রীমাধৱদেৱ* (১৯১৬) জীৱনী দুখনৰ বিষয়বস্তুৰ কিহৰ আধাৰত প্রতিষ্ঠিত?

.....

- **শিশু সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্য :** অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যত শিশু সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্যও ভুমুকি মাৰিলে। *অৰুনোদয়* কাকতৰ লগতে সেই সময়ৰ লেখকসকলেও বিভিন্ন শিশু উপযোগী সাহিত্য ৰচনা কৰিছিল। উদাহৰণস্বৰূপে আমি আনন্দৰাম ঢেকিয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্র* (১৮৪৯), হেমচন্দ্র

বৰুৱাৰ ছাত্রোপযোগী *অসমীয়া ল'ৰাৰ ব্যাকৰণ, আদিপাঠ, পঢ়াশালীয় অভিধান, পাঠমালা* ইত্যাদি ৰচনাৰ কথা উল্লেখ কৰিব পাৰোঁ।

আমাৰ আলোচ্য সময়ছোৱাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱে মুখে মুখে প্রচলিত সাধুকথাসমূহত সংগ্রহ কৰি *বুঢ়ী আইৰ সাধু* (১৯১১) প্রকাশ কৰে। বেজবৰুৱাৰ *ককাদেউতা আৰু নাতি ল'ৰা, জুনুকা* আদি অসমীয়া শিশু সাহিত্যৰ আপুৰুগীয়া সম্পদ। আলোচ্য সময়ছোৱাত কেইবাখনো শিশু আলোচনীও প্রকাশ পাইছিল। উল্লেখযোগ্য যে ১৮৮৬ চনৰ পৰা ১৯৮৮ চনৰ ভিতৰত দুখন শিশু আলোচনী প্রকাশ পাইছিল *মৌ* আৰু *ল'ৰাবন্ধু*। ঊনবিংশ শতিকাত *অকণ* (১৯১৬), *মইনা* (১৯১৬), *অৰুণ* (১৯২৬), *আমাৰ দেশ* (১৯৩১), *পখিলা* (১৯৩১), *ন-জোন* (১৯৩৪), *পাৰিজাত* (১৯৪১) ইত্যাদি শিশু আলোচনী প্রকাশ পাইছিল আৰু ইয়াত প্রকাশিত বিবিধ লিখিনিসমূহে অসমীয়া শিশু সাহিত্যক সমৃদ্ধ কৰিছিল। এই সময়ছোৱাৰ ছোলেইমান খাঁইৰ শিশু মনস্তাত্বিক কবিতা, বিনন্দ চন্দ্র বৰুৱাৰ *ল'ৰাৰ বেজবৰুৱা, অসম গৌৰৱ, আমাৰ লক্ষ্মীনাথ,* বেনুধৰ ৰাজখোৱাৰ *সৰু ল'ৰাৰ গান,* জ্যোতিপ্রসাদ আগৰৱালাৰ 'কোম্পুৰ সপোন', 'অকণমান ল'ৰা', 'অকনিৰ সপোন' আদি আমাৰ আলোচ্য কালছোৱাৰ উল্লেখযোগ্য শিশু উপযোগী লেখা।

মানুহ স্বভাৱতে ভ্রমণ বিলাসী। বিভিন্ন কাৰণত মানুহে ভ্রমণ কৰে। মানুহে ভ্রমণৰ জৰিয়তে লাভ কৰা অভিজ্ঞতা নিজৰ মাজতে আবদ্ধ নাৰাখি আনকো তাৰ ভাগ দিয়াৰ চেষ্টাৰ ফলশ্রুতিতেই সৃষ্টি হৈছে ভ্রমণ সাহিত্য। সাধাৰণতে বিষয়বস্তু অনুসৰি অসমীয়া ভ্রমণ সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি— অন্তর্দেশীয় ভ্রমণ সাহিত্য আৰু বহির্দেশীয় ভ্রমণ সাহিত্য। পুৰণি অসমতো ভ্রমণ সাহিত্য ৰচনাৰ ইতিহাস ৰক্ষিত হৈছে। আহোম স্বর্গদেউ জয়ধ্বজ সিংহৰ দিনত ৰাম মিশ্রই বৃন্দাবন ভ্রমণ কৰি আহি সেই অঞ্চলৰ ভূগোল, ইতিহাস আৰু লোক-কথা সংগ্রহ কৰি *বৃন্দাবন চৰিত্র* ৰচনা কৰিছিল। ঠিক সেইদৰে ৰত্ন কন্দলী আৰু অর্জুন দাস বৈৰাগী নামৰ কটকী দুজনে ৰচনা কৰা *ত্রিপুৰা বুৰঞ্জী*খনকো এক অর্থত ভ্রমণ সাহিত্য হিচাপে চিহ্নিত কৰিব পাৰি। *অৰুনোদই* পাততে আধুনিক অসমীয়া ভ্রমণ সাহিত্যৰ বীজ ৰোপণ হয়। ১৮৪৯ চনৰ আগষ্ট সংখ্যাৰ *অৰুনোদই*ত প্রকাশিত "আমেৰিকালৈ জোআ এজন নগাওঁ স্কুলৰ চাতৰৰ পৰা" শিৰোনামৰ লেখাটোতেই আধুনিক অসমীয়া ভ্রমণ বুলি ক'ব পাৰি।

জোনাকী কাকতত গুণাভিৰাম বৰুৱাই লিখা 'সৌমাৰ ভ্রমণ বৃত্তান্ত' নামৰ প্রবন্ধলানিয়েও আমাক ভ্রমণ বিষয়ক ৰচনাৰ আৰ্হি প্রদান কৰে। ডায়েৰিৰ আৰ্হিত লিখা এই লিখনিত ঊনবিংশ শতিকাৰ অসমৰ যাতায়ত তথা যোগাযোগ ব্যৱস্থা, ঠাইবোৰৰ সৈতে জড়িত বুৰঞ্জী আৰু পুৰাণৰ ঘটনা লিপিবদ্ধ হৈছে। এক অর্থত ই অন্তর্দেশীয় ভ্রমণ সাহিত্যৰ উদাহৰণ। আনাহতে *আৰাহন* খণ্ড খণ্ডকৈ বিকাশ চন্দ্র গোঁহাইৰ লিখা *বিলাত ভ্রমণ* শীর্ষক ভ্রমণ বৃত্তান্ত প্রকাশ হৈছিল। মাধৱ বেজবৰুৱাইও ভাৰতবর্ষৰ বিভিন্ন স্থানৰ ভ্রমণৰ বর্ণনা *আৰাহন* পাতত প্রকাশ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত *বাঁহী*

(প্ৰথম বছৰৰ দ্বিতীয় সংখ্যা)ত প্ৰকাশিত জ্ঞানদাভিৰাম বৰুৱাৰ "বিলাতৰ চিঠি" অসমীয়া ভ্ৰমণ সাহিত্যৰ এক উল্লেখযোগ্য নিদৰ্শন। এই লিখনিটো পৰৰ্বতী সময়ত ১৯৩৯ চনত গ্ৰন্থাকাৰে প্ৰকাশ পায়। আনন্দচন্দ্ৰ আগৰৱালাই ১৮৩৯ চনত লিখা *ব্ৰহ্মযাত্ৰীৰ ডায়েৰি* আন এক উল্লেখযোগ্য ভ্ৰমণ কাহিনী। সেই দিশৰ পৰা এই ভ্ৰমণ বৃত্তান্তৰ অসমীয়া সাহিত্যত গুৰুত্বপূৰ্ণ স্থান আছে। পৰৱৰ্তী সময়ত লক্ষ্মীনাথ ফুকনেও 'উত্তৰ-পশ্চিম' আদি 'প্ৰাক্-স্বাধীনতা কালৰ উপাদেয় ভ্ৰমণ কাহিনী'ৰ লিখি অসমীয়া ভ্ৰমণ সাহিত্যক সমৃদ্ধ কৰে। অৱশ্যে স্বৰাজোত্তক কালত হে এই শ্ৰেণীৰ সাহিত্যই অধিক ত্বৰান্বিত হয়।

অসমীয়া অনুবাদ সাহিত্যৰ ইতিহাস অতি প্ৰাচীন। মাধৱ কন্দলিৰ পৰা আৰম্ভ কৰি অৰুণোদয় যুগলৈকে বিভিন্নজনে কেনেদৰে বিভিন্ন অনুবাদেৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে সেই বিষয়ে বিভিন্ন অধ্যায়ত আপুনি ইতিমধ্যে পঢ়ি আহিছে। আধুনিক অসমীয়া সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত শ্বেইক্সপীয়েৰৰ নাটক *কমেডি অব এৰ'ৰচখন ভ্ৰমৰংগ* নামেৰে অনূদিত হোৱাৰ কথাও ইতিমধ্যে কৈ অহা হৈছে। আমাৰ আলোচ্য সময়ছোৱাত লক্ষ্মীনাথ বেজবৰুৱাই শ্যেলীৰ Love's Philosophy-ৰ অসমীয়া অনুবাদ কৰিছিল 'শ্যেলীৰ প্ৰেমৰ দৰ্শন' নামৰে। বেজবৰুৱাই *জৰ্জ* ডাৰ্লিৰ Loveliness of Love-ৰ আৰ্হিত 'প্ৰিয়তমাৰ সৌন্দৰ্য' লিখিছিল। হিতেশ্বৰ বৰবৰুৱায়ো মাইকেল মধুসূদন দত্তৰ ৰচনাৰ প্ৰেৰণাত *বিৰহিনী বিলাপ, আভাস* আদি পুথিৰ কবিতাসমূহ ৰচনা কৰিছিল। হিতেশ্বৰ বৰবৰুৱাৰ শ্বেইক্সপীয়েৰৰ *অথেলো* নাটকক কেন্দ্ৰ কৰি লিখিছিল *ডেচডিমোনা* (১৯১৭) নামৰ কাব্য পুথিখন। ঠিক সেইদৰে গল্ডস্মিথৰ *ভাঁইকাৰ অৱ ৰেকফিল্ডৰ* আৰ্হিত ৰচনা কৰিছিল অঙ্গিলা (১৯১৭) চনত প্ৰকাশ পায়। যতীন্দ্ৰনাথ দুৱৰাই ১৯২৬ চনত কবি ওমৰ খায়ামৰ *ৰুৱায়তখন ওমৰতীৰ্থ* নামেৰে অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰে। ৰুছ সাহিত্যিক টুৰ্গেনিভৰ Poems in prose-খন ১৯৩৩ চনত দুৱাৰাই *কথা কবিতা* নামেৰে (গদ্যৰূপত) অসমীয়ালৈ অনুবাদ কৰিছিল। মন কৰিবলগীয়া যে এই সময়ছোৱাত কেইবাখনো অসমীয়া গ্ৰন্থও ইংৰাজীলৈ অনুবাদ হৈছিল। বণুধৰ ৰাজখোৱাই *নামঘোষা, গুণমালা, কাণখোৱা* আৰু *কীৰ্তন*ৰ 'বিপ্ৰ দামোদৰ আখ্যান' ইংৰাজীলৈ অনুবাদ কৰিছিল। বিংশ শতিকাৰ এই দশককেইটাত মূলতঃ ইংৰাজী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ হৈছিল। লক্ষেশ্বৰ শৰ্মাই লিটনৰ Last days of Pompeii আৰু গ্ৰেজিয়াৰ ডালেডাৰ *মাদাৰ* নামৰ উপন্যাস দুখন *পম্পিয়াৰ প্ৰলয় কাহিনী* আৰু *মাতৃ* নামেৰে, হেনৰী উদৰ *ইষ্ট-লিনি* আৰু চার্লচ ৰিডৰ *ক্লাইষ্টাৰ এণ্ড ডি হাথ* উপন্যাস দুখন শান্তিৰাম দাসে *ছদ্মৱেশী* আৰু *মিলন মন্দিৰ* নামেৰে এই সময়ছোৱাতে অনুবাদ কৰিছিল। অতুলচন্দ্ৰ হাজৰিকাকে ধৰি কেইবাজনো নাট্যকাৰ-লেখকে এইসময়ছোৱাতে শ্বেইক্সপীয়েৰৰ কেইবাখনো নাটক অসমীয়ালৈ অনুবাদ কৰিছিল।

এই আলোচনাখিনিৰ পৰাই ক'ব পাৰি যে আমাৰ আলোচ্য সময়ছোৱাত অসমীয়া সাহিত্যত বিবিধ সাহিত্য ধাৰাই ঠন ধৰি উঠিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা সংকলিত কৰা *বুঢ়ী আইৰ সাধু* কিমান চনত প্রকাশিত হৈছিল?

.....

প্রশ্ন নং ৮ ঃ বিকাশ চন্দ্র গোঁহাইৰ লিখা *বিলাত ভ্রমণ* শীর্ষক ভ্রমণ বৃত্তান্ত ক'ত প্রকাশ হৈছিল?

.....

প্রশ্ন নং ৯ ঃ কোনে কেতিয়া কি নামেৰে কবি ওমৰ খায়ামৰ *ৰুবায়ত*খন অসমীয়ালৈ অনুবাদ কৰি প্রকাশ কৰে?

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যত প্রবন্ধ বা সমালোচনা সাহিত্য, জীৱনী, ৰম্য-ৰচনা, শিশু সাহিত্য, ভ্রমণ, অনুবাদ সাহিত্য আদিয়েও বিশেষ স্থান অধিকাৰ কৰি আছে।
- লক্ষ্মীনাথ বেজবৰুৱাই আলোচ্য সময়ছোৱাত তত্ত্বালোচনামূলক আৰু ব্যঙ্গাত্মক প্রবন্ধৰে এই সময়ছোৱাক সমৃদ্ধ কৰিছিল। পৰৱৰ্তী সময়ত কোনে কোনে এই ধাৰাটো অব্যাহত ৰাখিলে সেই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- সাহিত্যৰ অন্যান্য ধাৰাবোৰৰ দৰে সমালোচনা সাহিত্যৰো বাট মুকলি হয় আলোচ্য সময়ছোৱাতে। লক্ষ্মীনাথ বেজবৰুৱা ইয়াৰো পথ-প্রদর্শক। অধ্যায়টোত আলোচ্য সময়ছোৱাৰ অসমীয়া সমালোচনা সাহিত্যৰ গতি-ধাৰা সম্পর্কে বহলাই আলোচনা কৰা হ'ল।
- আধুনিক যুগৰ জীৱনী সাহিত্যৰ কথা ক'বলৈ গ'লে গুণাভিৰাম বৰুৱাই ৰচনা কৰা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্র* (১৮৮০)-ৰ কথাই প্রথমে মনলৈ আহে। এইখনেই আধুনিক যুগৰ প্রথম অথচ আদর্শ জীৱনী। তাৰ পাছৰে পৰা তদানীন্তন কালত কোনে কোনে কি কি জীৱনী ৰচনা কৰিছিল সেই বিষয়েও অধ্যায়টোত আলোচনা কৰা গ'ল।
- শিশু-সাহিত্য, ভ্রমণ সাহিত্য আৰু অনুবাদ সাহিত্য — এই তিনিটা হ'ল সাহিত্যৰ তিনিটা উল্লেখযোগ্য ধাৰা। অধ্যায়টোত আলোচ্য সময়ছোৱাত এই কেইটা ধাৰাই কেনে ৰূপ লাভ কৰিছিল তাৰে ৰূপৰেখাও দাঙি ধৰা গৈছে।



৮.৫ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) বৰগোহাঞি, হোমেন (সম্পাঃ) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৩) বৰগোহাঞি, হোমেন (সম্পাঃ) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৪) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) শৰ্মা, সত্যেন্দ্ৰ নাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৮.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱা ছদ্মনামেৰে ব্যঙ্গ আৰু হাস্যৰসপূৰ্ণ প্ৰবন্ধ লিখিছিল। বিভিন্ন আলোচনীত প্ৰকাশিত এনে প্ৰবন্ধসমূহ পৰৱৰ্তী সময়ত *কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা* (১৯০৫), *কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি* (১৯৫১), *বৰবৰুৱাৰ বুলনি* (১৯৬৪) নামেৰে প্ৰকাশ পায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া ভাষাক বিদেশীৰ ভাঁজ নপৰা এটি গঢ় দিবলৈ প্ৰচেষ্টা কৰিছিল। এওঁৰ *পঢ়াশলীয়া পুথি, নীতিশিক্ষা, বুৰঞ্জীবোধ* সৰল অসমীয়া ভাষাৰ নিদৰ্শন। অৱশ্যে পাছৰফালে তেওঁৰ গদ্যই গধুৰ ৰূপ ধাৰণ কৰে। বিশেষকৈ তিনি খণ্ডযুক্ত *শ্ৰীকৃষ্ণ* (১৯৩০), *গীতিসাৰ* (১৯৩৫)ত তেওঁৰ গদ্যই পূৰ্ণাংগ তথা গতিশীল ৰূপ ধাৰণ কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সাহিত্য-সমালোচনাৰ পথ-প্ৰদৰ্শক লক্ষ্মীনাথ বেজবৰুৱা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষ্ণকান্ত সন্দিকৈ 'অনুবাদৰ কথা', 'য়ুৰোপৰ ভাষা আৰু সাহিত্য', 'স্পেনিছ সাহিত্যত ৰোমিঅ' জুলিয়েট', 'জাৰ্মান সাহিত্যৰ সপোন নাটক', 'গ্ৰীক নাটকৰ গান', 'চক্ৰেটিছৰ মতে কবি প্ৰকৃতি' আদি নিবন্ধৰ যোগেদি পাঠকক বিশ্বসাহিত্যৰ লগত পৰিচয় কৰাই দিয়ে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গুণাভিৰাম বৰুৱাই ৰচনা জীৱনীখনৰ নাম হ'ল *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ* (১৮৮০)।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ *শংকৰদেৱ* (১৯১২) আৰু *শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ* (১৯১৬) ৰোমাণ্টিক যুগত ৰচিত আন দুখনি উল্লেখযোগ্য জীৱনী সাহিত্য। প্ৰথমখন *ৰৱদোৱা চৰিত* আৰু দ্বিতীয়খন *কথা-গুৰু-চৰিতৰ* বিষয়বস্তুৰ আধাৰত প্ৰতিষ্ঠিত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা সংকলিত কৰা *বুঢ়ী আইৰ সাধু* ১৯১১ চনত প্ৰকাশিত হৈছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিকাশ চন্দ্ৰ গোঁহাইৰ লিখা *বিলাত ভ্ৰমণ* শীৰ্ষক ভ্ৰমণ বৃত্তান্ত *আৰাহন* কাকতত প্ৰকাশ হৈছিল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ যতীন্দ্ৰনাথ দুৱৰাই ১৯২৬ চনত কবি ওমৰ খায়ামৰ *ৰুৱায়তখন ওমৰতীৰ্থ* নামেৰে অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰে।



৮.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কৃপাবৰ বৰুৱা কোন আছিল?

প্ৰশ্ন ২ ঃ *ব্ৰহ্মযাত্ৰীৰ ডায়েৰি* কাৰ ৰচনা?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ ভ্ৰমণ সাহিত্য সম্পৰ্কে আলোকপাত কৰক।

প্ৰশ্ন 2 ঃ চমুটোকা লিখক —

(ক) অৰুণোদয় পৰৱৰ্তীকালীন অসমীয়া শিশু সাহিত্য

(খ) অৰুণোদয় পৰৱৰ্তীকালীন অসমীয়া অনুবাদ সাহিত্য

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সমালোচনা সাহিত্যৰ এটি ৰূপৰেখা লিখি উলিয়াওক।

প্ৰশ্ন ২ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ প্ৰবন্ধ সাহিত্য সম্পৰ্কে এটি আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অৰুণোদয় পৰৱৰ্তীকালীন জীৱনী সম্পৰ্কে এটি আলচ যুগুত কৰক।

*** ***** ***